**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-11-2024
**Time :** 07-55 Hrs

***<u>Assamese Morning Bulletin</u>***
**::::::::::::::::::::::::::::::::::::::::**

দুদিনীয়া ভ্ৰমণসূচীৰে যোৱা নিশা নাইজেৰিয়াত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হ'ব। বিগত ১৭ বছৰত ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে প্ৰথম নাইজেৰিয়া ভ্ৰমণ কৰা শ্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি তিনুবুৰ সৈতে দুয়োখন দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলাব আৰু দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰিব। নেতা দুগৰাকীৰ মাজৰ এই আলোচনাৰ অন্তত কেইখনো চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নাইজেৰিয়াত বাস কৰা ভাৰতীয় মূলৰ লোক সকলৰ এটা সমাৱেশতো ভাষণ দিব।

নাইজেৰিয়াৰ পৰা প্ৰধানমন্ত্ৰী মোদী জি-টুৱেণ্টি শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'লৈ যাব। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইছ ইনাছিঅ' লুলা দ্যা ছিলভাই এই সন্মিলনৰ আঁত ধৰিব। সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গোলকীয় বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-টুৱেণ্টি নতুন দিল্লী ঘোষণাপত্ৰ অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা ভইচ অব দি গ্লোবেল ছাউথ সন্মিলনৰ ফলাফল সম্পৰ্কে আলোচনা কৰিব। জি-টুৱেণ্টি শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰী মোদীয়ে কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। এই ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী পৰহিলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে গায়ানাত উপস্থিত হ'ব।

০০০০০০০

আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ড প্ৰৱৰ্তনৰ তিনি সপ্তাহৰ ভিতৰত ১০ লাখৰো অধিক জ্যেষ্ঠ নাগৰিকে এই কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰাসকলৰ ভিতৰত প্ৰায় ৪ লাখ মহিলা আছে। ইয়াৰ ফলত এহেজাৰ ৪০০ গৰাকী মহিলাসহ ৭০ বছৰ আৰু ইয়াৰ ঊৰ্ধ্বৰ ৪ হাজাৰ ৮০০ গৰাকীৰো অধিক জ্যেষ্ঠ নাগৰিক উপকৃত হ'ব। এই কাৰ্ডৰ জৰিয়তে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত মিছনৰ অধীনত বিনামূলীয়া স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰিব পৰা যায়।

০০০০০০০

তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালে যোৱা নিশা তিনিচুকীয়া অসামৰিক চিকিৎসালয় আকস্মিকভাৱে পৰিদৰ্শন কৰি চিকিৎসাকৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। জিলা আয়ুক্তগৰাকীয়ে নিশাৰ ভাগত চিকিৎসা

সেৱা কিধৰণে আগবঢ়োৱা হয় তাৰ বুজ লোৱাৰ লগতে চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলক দায়িত্ব সহকাৰে কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়।

০০০০০০০

আয়কৰ বিভাগে বিগত বিত্তীয় বৰ্ষত বিদেশৰ পৰা আয় কৰা বা  বিদেশী সম্পত্তি আহৰণ কৰা ভাৰতীয় কৰ দাতা নাগৰিকৰ বাবে আয়কৰ পৰিশোধৰ অন্তিম দিন অহা ৩১ ডিচেম্বৰ ধাৰ্য্য কৰা হৈছে। বিদেশত বেংক একাউণ্ট, অস্থাৱৰ সম্পত্তি আদি থকা ভাৰতীয় কৰদাতা নাগৰিকে আয় কৰৰ আওতাত নপৰিলেও আয়কৰৰ নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি জমা দিব লাগিব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

মণিপুৰৰ জিৰিবাম জিলাৰ পৰা ছদিন পূৰ্বে তিনিটি শিশু আৰু তিনিগৰাকী মহিলা সন্ধানহীন হোৱাৰ পাছত শেহতীয়াকৈ আটাইকেইগৰাকীৰে মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনৰ পৰিস্থিতি পুনৰ জটিল হৈ পৰিছে। শুকুৰবাৰে নিশা আৰু শনিবাৰে মৃতদেহকেইটা নদীত উদ্ধাৰ হোৱাৰ পাছত কালিৰে পৰা মেইটেই লোকৰ প্ৰতিবাদত উত্তাল হৈ পৰিছে ৰাজ্যখনৰ পৰিস্থিতি। একাংশ প্ৰতিবাদকাৰীয়ে কালি ৰাজ্যখনৰ দুজন মন্ত্ৰী আৰু তিনিজন বিধায়কৰ বাসগৃহত আক্ৰমণ কৰাৰ পাছত ইম্ফলত সান্ধ্য আইন জাৰি কৰাৰ লগতে চাৰিখন জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰি ৰখা হৈছে।

০০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুত কালিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে কাৰ্বি আংলং দিৱস, ২০২৪ উদযাপন কৰা হৈছে। এই উপলক্ষে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী আয়োজন কৰা হৈছে।

০০০০০০০

**সমাপ্ত**